**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-07-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ পত্ৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ গ্ৰহণ।

২। ৰাজ্যৰ বিভিন্ন স্থানত উচ্ছেদ অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তিনিচুকীয়াত মন্তব্য।

৩। বি টি চি পৰিষদীয় নিৰ্বাচনৰ পূৰ্বে বি টি আৰৰ পাঁচখন জিলাত খচৰা ভোটাৰ তালিকা প্ৰকাশ।

৪। ৰাষ্ট্ৰপতি ভৱনত সংৰক্ষণ আৰু প্ৰদৰ্শনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ পাঁচখন সাঁচিপতীয়া পুথি প্ৰদান।

*আৰু*

৫। দেশৰ ব্যক্তিগত এফ এম চেনেলৰ অনুজ্ঞাপত্ৰৰ বাবদ ২০২৪-২৫ বিত্তীয় বৰ্ষত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ মুঠ ১৯৬ কোটি ২৮ লাখ টকা উপাৰ্জন।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। শ্ৰী ধনখড়ে কালি স্বাস্থ্যজনিত কাৰণত উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি বিচাৰি ৰাষ্ট্ৰপতিগৰাকীলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি গ্ৰহণ কৰা জগদীপ ধনখড়ৰ সুস্বাস্থ্য কামনা কৰিছে। বিদায়ী উপ-ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে দেশৰ উপ-ৰাষ্ট্ৰপতিকে ধৰি ভিন ভিন পদবীত কাৰ্যনিৰ্বাহ কৰা শ্ৰী ধনখড়ে দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ ভালেমান সুযোগ লাভ কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত উচ্ছেদ অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে এটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে ভূমি দখলমুক্ত কৰা হ'ব। ৰাজ্যত প্ৰায় ২৯ লাখ বিঘা ভূমি বেদখলৰ কবলত পৰিছে বুলি তেওঁ মন্তব্য কৰে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাতো সন্দেহজনক লোকে ভূমি দখল কৰি থকাৰ তথ্যও লাভ কৰা বুলি তেওঁ জানিবলৈ দিয়ে।

বাইট (চি এম)

তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱাৰ বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ৯ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। আজি তিনিচুকীয়া ভ্ৰমণ কৰা মুখ্যমন্ত্ৰীগৰাকীয়ে বুঢ়া-বুঢ়ীৰ শালত আয়োজিত এটা ধৰ্মীয় অনুষ্ঠানত অংশ লোৱাৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২১ বিঘা ভূমি সামৰি লোকনিৰ্মাণ বিভাগে এই প্ৰকল্প ৰূপায়ণ কৰিব। অহা এবছৰৰ ভিতৰত এই কাম সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। শদিয়া ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীক মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক বলিন চেতীয়া, চুৰেণ ফুকনকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই সংগ দিয়ে।

০০০০০০০

সমাগত বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে আজি চিৰাঙৰ পাঁচটা পৰিষদীয় সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। খচৰা ভোটাৰ তালিকাৰ আপত্তি আৰু সংশোধনৰ অন্তিম সময়সীমা ৫ আগষ্ট ধাৰ্য কৰা হৈছে। আমাৰ সংবাদদাতাসকলে জনোৱামতে কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া যতীন বৰাই খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰে।

তামুলপুৰ জিলাৰ পাঁচটা পৰিষদীয় সমষ্টিৰ ভোটাৰ তালিকাও আজি প্ৰকাশ কৰা হৈছে। তামুলপুৰ জিলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি পাঁচটা পৰিষদীয় সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে তিনি লাখ ৫০ হাজাৰ ৭০৬ জন।

বিটিচিৰ অন্তৰ্গত কোকৰাঝাৰ আৰু ওদালগুৰি জিলাতো আজি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। ওদালগুৰি জিলাত খচৰা ভোটাৰ তালিকা প্ৰকাশ আৰু বিটিচি নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলাখনৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয় –

বাইট

0000000

উৰণ সেতু নিৰ্মাণৰ বাবে দীঘলী পুখুৰীৰ পাৰৰ পৰা স্থানান্তৰ কৰা গছসমূহ বন বিভাগৰ এছ্ অ' পি অনুসৰি স্থানান্তৰ কৰা হৈছেনে নাই সেইবিষয়ে আদালতত জনাবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। উৰণ সেতু নিৰ্মাণৰ নামত গছ কেইজোপা স্থানান্তৰ কৰাৰ বিৰুদ্ধে গুৱাহাটীৰ এজন ব্যক্তিয়ে দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিকালত মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ মাইকেল জোথানখুমাক লৈ গঠিত খণ্ড বিচাৰপীঠে এই নিৰ্দেশ জাৰি কৰে। আজি ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই পৰৱৰ্তী শুনানিত এই সন্দৰ্ভত এখন শপতনামা দাখিল কৰিব বুলি আদালতত উল্লেখ কৰে। তেওঁ লগতে স্থানান্তৰিত কৰা আটাইকেইজোপা গছ বাচি আছে বুলি উচ্চ ন্যায়ালয়ক জানিবলৈ দিয়ে।

0000000

অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাক অধিক গৰিমামণ্ডিত কৰি তোলাৰ লক্ষ্যৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সৌজন্যত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেই অনুসৰি কলাক্ষেত্ৰৰ উদ্যোগত ৰাষ্ট্ৰপতি ভৱনৰ পুথিভঁৰালত সংৰক্ষণ তথা প্ৰদৰ্শনৰ বাবে পাঁচখন প্ৰাচীন সাঁচিপতীয়া পুথি প্ৰদান কৰা হয়। এই পদক্ষেপৰ জৰিয়তে অসমীয়া ভাষাৰ ঐতিহ্য যাত্ৰাই এটা নতুন গতি লাভ কৰে বুলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে আশা প্ৰকাশ কৰিছে। কলাক্ষেত্ৰৰ সচিবগৰাকীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ সাঁচিপতীয়া পুথিকেইখন অৰ্পন কৰে। ৰাষ্ট্ৰপতি ভৱন সচিবালয়ৰ সচিব দিপ্তী উমাশংকৰে পুথিকেইখন গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ৰাষ্ট্ৰপতি সচিবালয়ৰ কলা আৰু সংগ্ৰহালয়ৰ উপ-সঞ্চালক পংকজপ্ৰতিম বৰদলৈয়ে এইদৰে কয় –

বাইট

অনুষ্ঠানত নতুন দিল্লীত থকা অসম ভৱনৰ আৱাসিক আয়ুক্তকে প্ৰমুখ্য কৰি কেন্দ্ৰীয় চৰকাৰৰ ভালেকেইগৰাকী বিষয়া উপস্থিত থাকে।

0000000

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে দেশৰ ব্যক্তিগত এফ এম চেনেলৰ অনুজ্ঞাপত্ৰৰ বাবদ ২০২৪-২৫ বিত্তীয় বৰ্ষত মুঠ ১৯৬ কোটি ২৮ লাখ টকা উপাৰ্জন কৰে। এই পৰিমাণ যোৱাটো বিত্তীয় বছৰৰ তুলনাত প্ৰায় ১০ কোটি টকা অধিক। ইয়াৰ বিপৰীতে মন্ত্ৰালয়ে ডি টি এইছ্ অৰ্থাৎ ডাইৰেক্ট টু হোম টেলিভিছন সেৱাৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষত মুঠ ৬৪৮ কোটি ৭৩ লাখ উপাৰ্জন কৰে। এই পৰিমাণ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ তুলনাত প্ৰায় ১৩ কোটি কম হয়। চৰকাৰী সূত্ৰই নতুন দিল্লীত প্ৰকাশ কৰা অনুসৰি ভাৰত কোষ প'ৰ্টেলৰ যোগেদি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে যোৱাটো বিত্তীয় বছৰত এহেজাৰ ১২ কোটি ৩৯ লাখ টকা উপাৰ্জন কৰে। চৰকাৰী বিজ্ঞপ্তিখনত কোৱা হৈছে যে ২০২৫ বৰ্ষত দেশত থকা ডীডী ফ্ৰী ডিছ, ডিছ টিভি, এয়াৰটেল ডিজিটেল টিভি, টাটা প্লে আৰু ছান ডাইৰেক্ট ডি টি এইছ্ সেৱাৰ গ্ৰাহকৰ সংখ্যা ৫ কোটি ৬৯ লাখলৈ হ্ৰাস পাইছে। ২০২০ চনত দেশত ডি টি এইছ্ সেৱা গ্ৰহণ কৰা গ্ৰাহকৰ সংখ্যা ৭ কোটি ২৬ লাখৰ পৰা এই সময়ছোৱাত প্ৰায় ২ কোটি ২৬ লাখ হ্ৰাস পাইছে। দেশত ইণ্টাৰনেট টেলিভিছনৰ প্ৰসাৰ আৰু মোবাইল ফোনৰ জৰিয়তে টেলিভিছন চেনেল উপলব্ধ হোৱাৰ বাবেই ডি টি এইছ্ৰ গ্ৰাহকৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে বুলি কোৱা হৈছে।

000000000

অসম আৰু মেঘালয়ত পাঁচদিনীয়া ভ্ৰমণসূচীৰে আকাশবাণীৰ সঞ্চালকপ্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌড় আজি শ্বিলঙত উপস্থিত হয়। শ্বিলঙলৈ যোৱাৰ পথত সঞ্চালকপ্ৰধানগৰাকীক আজি আকাশবাণীৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ, উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়ো, আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লা খান,

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ আৰু আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান বিভাগৰ মুৰব্বী কাৰ্ডলিন থেংকিউকে ধৰি বিষয়াসকলে আদৰণি জনায়।

কাইলৈ তেওঁ শ্বিলঙত আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰিব। ২৪ জুলাইত তেওঁ শ্বিলঙত মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহত কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৫ জুলাইৰ বিয়লি ড° পালিৱাল গৌড় গুৱাহাটীলৈ আহিব আৰু ২৬ জুলাইত তেওঁ গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৭ জুলাইত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

0000000

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি দিছপুৰত পথ সমন্বয় প'ৰ্টেল মুকলি কৰে। পথ নিৰ্মাণৰ লগত জড়িত বিভাগসমূহৰ মাজত সমন্বয় স্থাপন কৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰি উলিওৱা প'ৰ্টেলটোৱে উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত বিভাগসমূহক সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয়, যে পৰ্টেলটোৰ জৰিয়তে ৰাইজেও কাম-কাজ নিৰীক্ষণ কৰি থাকিব পাৰিব। আজিৰ অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ নাৰয়ণ ডেকাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

0000000

ধেমাজি জিলাৰ বিশেষ পক্‌ছ' আদালতে আজি এগৰাকী নাবালিকা ধৰ্ষণৰ গোচৰত এজন অভিযুক্তক পক্‌ছ' আইনৰ অধীনত ১০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়ে। ২০২১ চনত গোগামুখ থানাৰ অন্তৰ্গত সোণাপুৰত এগৰাকী নাবালিকাক ধৰ্ষণৰ অভিযোগত মাণিক আলী নামৰ এই অভিযুক্তজনক গ্ৰেপ্তাৰ কৰা হয় আৰু তেওঁৰ বিৰুদ্ধে পক্‌ছ' আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হয়। চাৰিবছৰজোৰা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত বিশেষ অতিৰিক্ত ছেচন ন্যায়াধীশ কল্যাণজিৎ শইকীয়াৰ আদালতে তেওঁক দোষী সাব্যস্ত কৰে আৰু আজি ভাৰতীয় দণ্ডবিধিৰ নিৰ্দিষ্ট ধাৰা অনুসৰি এই শাস্তিৰ ৰায় দিয়ে।

0000000

হাতীগাঁও আৰক্ষীয়ে আজি গুৱাহাটী মহানগৰীৰ দাতালপাৰাৰ গান্ধী পথত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। জব্দ কৰা ২৮ পেকেট হেৰোইনৰ বজাৰ মূল্য আনুমানিক ৩ কোটি ৫০ লাখ টকা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত সৰবৰাহকাৰী দুজনে হেৰোইনখিনি শিলচৰৰ পৰা অনা বুলি আৰক্ষীৰ জেৰাত প্ৰকাশ কৰে।

0000000

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দিছপুৰত আজি বানমুক্ত গুৱাহাটী অভিযানৰ অন্তৰ্গত সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে বৈঠকত মহানগৰীৰ বিভিন্ন বান প্ৰৱণ এলেকাত কৃত্ৰিম বান ৰোধ কৰা সন্দৰ্ভত আলোচনা কৰে। প্ৰৱল বৰষুণৰ ফলত সৃষ্টি হ'ব পৰা কৃত্ৰিম বানৰ পৰা সকলোকে সাজু হৈ থাকিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। আজিৰ এই বৈঠকত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ লগতে লোকনিৰ্মাণ, জলসম্পদ, ৰে'ল, অইলৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

0000000

হোজাই জিলাৰ উদালী বজাৰৰ সমীপত জিলা শ্ৰম বিভাগে চলোৱা অভিযানত দুজন শিশু শ্ৰমিক উদ্ধাৰ কৰা হয়। এটা বিস্কুটৰ কাৰখানাৰ পৰা উদ্ধাৰ কৰা শিশু দুটিক পৰৱৰ্তী সময়ত শিশু কল্যাণ সমিতিৰ ওচৰলৈ প্ৰেৰণ কৰা হয়। শিশু শ্ৰমিক নিয়োজিত কৰা বিস্কুট কাৰাখানাটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা বুলি জিলা শ্ৰম বিভাগৰ বিষয়াই জানিবলৈ দিয়ে। অভিযানৰ সময়ত শ্ৰম বিভাগক চাইল্ডলাইন আৰু স্থানীয় আৰক্ষীয়ে সহযোগ কৰে।

0000000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বৰপেটা জিলাৰ হাউলীস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ নতুন ভৱনৰ লাইখুঁটা স্থাপন কৰে। এই উপলক্ষে প্ৰতিষ্ঠানখনৰ চৌহদত আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী শ্ৰীদাসে

কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ সৰ্বদিশৰ আন্তঃগাঁথনি শক্তিশালী কৰাত চৰকাৰ গঠনৰ পৰাই গুৰুত্ব দি আহিছে। এই আন্তঃগাঁথনি নিৰ্মাণৰ অংশ হিচাপে হাউলীত থকা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানখনক নতুন ৰূপ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰতিষ্ঠানখনৰ পুৰণি ভৱন নতুনকৈ নিৰ্মাণ কৰাৰ বাবে ৪ কোটি ৬ লাখ টকা আবণ্টন দিয়া হৈছে বুলি মন্ত্ৰী দাসে ভাষণত উল্লেখ কৰে।

০০০০০০০

গ্ৰাহকক উৎকৃষ্ট সেৱাৰ লক্ষ্যৰে আজিৰ পৰা বৰপেটা জিলাৰ ডাক বিভাগত আধুনিক ডাক প্ৰযুক্তি অৰ্থাৎ আই টি টু পইণ্ট জিৰ' সংযোজিত হৈছে। আজি বৰপেটাস্থিত জিলাখনৰ প্ৰধান ডাকঘৰত ভাৰতীয় ডাক বিভাগৰ নলবাৰী-বৰপেটা সংমণ্ডলৰ অধীক্ষক ৰূপা ভট্টাচাৰ্যই এই ব্যৱস্থা মুকলি কৰে। তেওঁ কয় যে গ্ৰাহকক ক্ষিপ্ৰতাৰে সেৱা আগবঢ়োৱাৰ লক্ষ্যৰে প্ৰৱৰ্তন কৰা এই ব্যৱস্থাই বৰপেটাৰ মুখ্য ডাকঘৰৰ লগতে ইয়াৰ অধীনত থকা ২৪টা উপ-ডাকঘৰ আৰু ১৭১টা শাখা ডাকঘৰকো সামৰি ল'ব। ইয়াৰ ফলত জিলাখনৰ ডাক সেৱা ব্যৱস্থা অধিক উন্নত হ'ব।

০০০০০০০

কাছাৰ জিলাৰ কৃষকসকলৰ স্বাৰ্থ ৰক্ষাৰ লক্ষ্যৰে আজি জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। খাৰিফ ধান ক্ৰয়ৰ পূৰ্বে জিলা প্ৰশাসনে আয়োজন কৰা এই বৈঠকত জিলা আয়ুক্ত মৃদুল যাদৱে সভাপতিত্ব কৰে। বৈঠকত ধান ক্ৰয় প্ৰক্ৰিয়া নিয়াৰিকৈ আয়োজন কৰা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই বৈঠকত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক সুৰক্ষা বিভাগ, কৃষি বিভাগ, ভাৰতীয় খাদ্য নিগমৰ লগতে কৃষক আৰু মিল মালিক সন্থাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী সাহায্য পুঁজি আঁচনিৰ অধীনত শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিত ৭৪০ গৰাকী ৰোগীৰ পৰিয়ালক ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদানৰ চেক বিতৰণ কৰা হয়। বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বুৱে ৰোগীৰ পৰিয়ালক চিকিৎসাৰ বাবদ চেকসমূহ বিতৰণ কৰে।

০০০০০০০

**সমাপ্ত**